ভাৰতৰ উচ্চতম ন্যায়ালয়ত প্ৰতিবেদনযোগ্য

দেৱানী মূল ক্ষেত্ৰাধিকাৰ

লেখ আবেদন (দেৱানী ) নং ৪৯৪, ২০১২

ন্যায়াধীশ কে.এছ. পুট্টস্বামী (অৱসৰপ্ৰাপ্ত)আৰু আন এজন … আৱেদনকাৰী

বনাম

ভাৰত চৰকাৰ আৰু অন্যান্য …………………… প্ৰতিপক্ষ

লগতে

২০১৩ চনৰ স্থানান্তৰিত গোচৰ (দেৱানী) নং ১৫১

২০১৩ চনৰ স্থানান্তৰিত গোচৰ (দেৱানী) নং ১৫২

২০১৩ চনৰ লেখ আবেদন (দেৱানী) নং ৮২৯

২০১৩ চনৰ লেখ আবেদন (দেৱানী) নং ৮৩৩

২০১৩ চনৰ লেখ আবেদন (দেৱানী) নং ৯৩২

২০১৪ চনৰ স্থানান্তৰিত আবেদন (দেৱানী) নং ৩১২

২০১৪ চনৰ স্থানান্তিতৰ আবেদন (দেৱানী) নং ৩১৩

২০১৫ চনৰ লেখ আবেদন (দেৱানী) নং ৩৭

২০১৫ চনৰ লেখ আবেদন (দেৱানী) নং ২২০

২০১৫ চনৰ স্থানান্তৰ আবেদন (দেৱানী) নং ৯২১

ডব্লিউ পি (চি) ৪৯৪/২০১২ত ২০১৪ চনৰ আদালত অৱমাননা আবেদন (দেৱানী) নং ১৪৪

ডব্লিউ পি (চি) ৪৯৪/২০১২ত ২০১৫ চনৰ আদালত অৱমাননা আবেদন (দেৱানী) নং ৪৭০

## আদেশ

১) এই গোচৰ সমূহত, ভাৰত চৰকাৰৰ "আধাৰ কাৰ্ড আঁচনি" হিচাপে জনাজাত এক আঁচনি বিভিন্ন ক্ষেত্ৰত সমালোচনাৰ সন্মুখীন হৈছে। এই আদেশৰ বাবে, আঁচনিখনৰ প্ৰকৃতি আৰু আঁচনিখন সমালোচনাৰ সন্মুখীন হোৱা বিভিন্ন ক্ষেত্ৰ সমূহ বিস্তাৰিত ভাৱে আলোচনা কৰা প্ৰয়োজনীয় নহয় । এই খিনি কলেই যথেষ্ট হব যে উক্ত আঁচনিৰ অধীনত ভাৰত চৰকাৰে বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰ কৰিবলৈ, এই দেশৰ বাসিন্দাসকলৰ জনসংখ্যা বিজ্ঞান (demographic) আৰু বায়োমেট্ৰিক (biometric) তথ্য সংগ্ৰহ আৰু সংকলন কৰি আছে, যাৰ বিৱৰণ বৰ্তমান প্ৰাসংগিক নহয়।

২) এই আঁচনিখন সমালোচনাৰ সন্মুখীন হোৱাৰ এটা কাৰণ হ'ল- এনে বায়োমেট্ৰিক তথ্য সংগ্ৰহ কৰাটো "গোপনীয়তাৰ অধিকাৰ" উলংঘন কৰা। কিছু  সংখ্যক আবেদনকাৰীয়ে দাবী কৰে যে গোপনীয়তাৰ অধিকাৰ ভাৰতৰ সংবিধানৰ ২১ নং অনুচ্ছেদৰ অধীনত অন্তৰ্ভুক্ত কৰা হৈছে আনহাতে আন আবেদনকাৰীসকলে দাবী কৰে যে এনে অধিকাৰ কেৱল অনুচ্ছেদ ২১ ৰ পৰাই নহয়, ভাৰতৰ সংবিধানৰ তৃতীয় খণ্ডত থকা মৌলিক অধিকাৰকে ধৰি আন বিভিন্ন অনুচ্ছেদৰ পৰাও উদ্ভৱ হয়।

৩) গোচৰটোৰ শুনানিৰ সময়ত, বিজ্ঞ এটর্নি জেনেৰেল শ্রী মুকুল ৰোহতগীয়ে যুক্তি প্রদর্শন কৰিছিল যে এম.পি. শর্মা বনাম সতীশ চন্দ্র আৰু খৰক সিং বনাম উত্তৰ প্রদেশ ৰাজ্য (ক্রমান্বয়ে আঠ আৰু ছয়জন ন্যায়াধীশে দিয়া ৰায়দান) এই দুই গোচৰৰ ক্ষেত্রত ন্যায়ালয়ে দিয়া ৰায়দানত গোপনীয়তাৰ মৌলিক অধিকাৰৰ অস্তিত্ব সম্পর্কে আইনী স্থিতি সন্দেহজনক। বিজ্ঞ এটর্নি জেনেৰেলে লগতে যুক্তি প্রদর্শন কৰিছিল যে পৰৱর্তী সময়ত প্রদান কৰা এই ন্যায়ালয়ৰ এলানি ৰায়দানত এই ন্যায়ালয়ে ওপৰোক্ত গোচৰসমূহৰ ৰায়সমূহৰ বিপৰীতে, "গোপনীয়তাৰ অধিকাৰ"ৰ প্রসংগ উল্লেখ কৰিছিল, যাৰ ফলত, আইনৰ বিধি শাস্ত্র মতে ন্যায়িক ভাৱে অনুমোদিত নোহোৱা ন্যায়িক মতামতৰ বিভেদ সৃষ্টি হৈছিল।

"১৮.......অনুসন্ধান আৰু জব্দ কৰাৰ ক্ষমতা ন্যায়শাস্ত্রৰ যিকোনো প্রণালীত সামাজিক নিৰাপত্তাৰ সুৰক্ষাৰ বাবে ৰাষ্ট্রৰ এক অতিৰিক্ত ক্ষমতা আৰু সেই ক্ষমতা নিঃসন্দেহে আইনৰ দ্বাৰা নিয়ন্ত্রিত হয়। যেতিয়া সংবিধান প্রনেতাসকলে আমেৰিকাৰ চতুর্থ সংশোধনীৰ সৈতে সাদৃশ্য থকা গোপনীয়তাৰ অধিকাৰক সাংবিধানিক সীমাবদ্ধতাৰ অন্তর্ভুক্ত কৰা নাছিল, আমিও সৃষ্টিশীল ব্যাখ্যাৰ জৰিয়তে আমদানি কৰা উচিত নহয়। [চাওক: এম.পি. সিং আৰু অন্যান্য বনাম সতীশ চন্দ্র আৰু অন্যান্য, এআইআৰ ১৯৫৪, পৃষ্ঠা ৩০৬-07 দফা ১৮] (উদ্‌ধৃত কৰা হৈছে)

"২০... লগতে আমি, আবেদনকাৰীৰ বিজ্ঞ অধিবক্তাই যুক্তি প্ৰদৰ্শন কৰাৰ দৰে এই ক্ষেত্ৰত ২১ নং অনুচ্ছেদৰ কোনো প্ৰাসংগিকতা আছে বুলি বিবেচনা নকৰোঁ । ইতিমধ্যে উল্লেখ কৰা অনুসৰি, গোপনীয়তাৰ অধিকাৰ আমাৰ সংবিধানৰ সুনিশ্চিত অধিকাৰ নহয়, সেয়েহে, এজন ব্যক্তিৰ গতিবিধি অনুসৰণ কৰি ব্যক্তিজনৰ গোপনীয়তাত অনুপ্ৰবেশ কৰা তৃতীয় খণ্ডৰ দ্বাৰা নিশ্চিত কৰা মৌলিক অধিকাৰৰ উলংঘন নহয়।" [চাওক: খাৰক সিং বনাম উত্তৰ প্ৰদেশ ৰাজ্য আৰু অন্যান্য, এ.আই.আৰ. ১৯৬৩ এছ.চি. ১২৯৫, পৃষ্ঠা ১৩০৩ দফা ২০] (উদ্‌ধৃত কৰা হৈছে)

৪) বিজ্ঞ এটৰ্নি জেনেৰেলে যুক্তি প্ৰদৰ্শন কৰিছিল যে এনেধৰণৰ অনুমোদিত নোহোৱা মতভেদ গোবিন্দ বনাম মধ্য প্ৰদেশ ৰাজ্য গোচৰত এই ন্যায়ালয়ে প্ৰদান কৰা ৰায়দানত আৰম্ভ হৈছিল, যি এই ন্যায়ালয়ৰ পৰৱৰ্তী ৰায়দানৰ আধাৰ গঠন কৰিছিল, য'ত "গোপনীয়তাৰ অধিকাৰ"ৰ কথা দৃঢ়তাৰে কোৱা হয় বা কমেও উল্লেখ কৰা হয়। এনে ধৰণৰ গোচৰবোৰৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ হৈছে আৰ. ৰাজাগোপাল আৰু আন এজন বনাম তামিলনাডু ৰাজ্য (অটো শংকৰৰ গোচৰ হিচাপে জনাজাত) আৰু পিপলছ ইউনিয়ন ফৰ চিভিল লিবাৰ্টিজ (পিইউচিএল) বনাম ভাৰত চৰকাৰ (১৯৯৭) ১ এছ.চি.চি. ৩০১.

৫) ওপৰত উল্লেখ কৰা সকলো ৰায় দুই বা তিনিজন

ন্যায়াধীশেৰ গঠিত সৰু বিচাৰপীঠে প্ৰদান কৰিছিল।

৬) প্ৰতিবাদী পক্ষৰ হৈ উপস্থিত থকা বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী কে.কে. বেণুগোপালে যুক্তি প্ৰদৰ্শন কৰিছিল যে গোবিন্দৰ গোচৰত এই ন্যায়ালয়ে প্ৰদান কৰা ৰায়দানৰ সৈতে এম.পি. শৰ্মা আৰু খাৰক সিং গোচৰত এই ন্যায়ালয়ে প্ৰদান কৰা ৰায়দানৰ সামঞ্জস্য নাই । তেখেতে যুক্তি প্ৰদৰ্শন কৰিছিল যে শিক্ষাবিদ, এই ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শ্ৰী এফ এছ নৰিমন আৰু কলিকতা উচ্চ ন্যায়ালয় আৰু বোম্বে উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ শ্ৰী এ এম ভট্টাচাৰ্য য়েও এনে বিভেদ লক্ষ্য কৰাছিল।

৭) সেয়েহে, বিজ্ঞ এটৰ্নি জেনেৰেল আৰু শ্ৰী বেণুগোপালে মত প্ৰদৰ্শন কৰে যে এই ক্ষেত্ৰত আইনী স্থিতি সুস্প্‌ট কৰিবলৈ, এই গোচৰ সমূহৰ শুনানী এই ন্যায়ালয়ৰ বৃহত্‌ বিচাৰপীঠে লব লাগিব কিয়নো এই

------------------------------------------

*ভাৰতৰ সংবিধানৰ অধীনত সমতা, স্বাধীনতা আৰু সম্পত্তি,* এ.এম. ভট্টাচাৰ্জী , ((ইষ্টাৰ্ণ ল হাউচ, নতুন দিল্লী, ১৯৯৭)

------------------------------------------

বিষয়বোৰত বিতৰ্কৰ গুৰুত্বপূৰ্ণ প্ৰশ্নবোৰ উথ্‌থাপন হৈছে –

(i) আমাৰ সংবিধানে "গোপনীয়তাৰ অধিকাৰ" সুনিশ্চিত কৰিছে নেকি?

(ii) যিহেতু সংবিধানত গোপনীয়তাৰ অধিকাৰৰ বিষয়ে স্পষ্টভাৱে উল্লেখ কৰা হোৱা নাই, সেয়েহে ইযাৰ উৎস আৰু ইয়াৰ নিৰ্দিষ্ট পৰিমাপসমূহ কি সেয়া স্পষ্ট নহয়।

সেয়েহে এইবুলি মত পোষণ কৰা হৈছে যে ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ১৪৫(৩)–ৰ অধীনত সন্নিবিষ্ট আদেশৰ প্ৰতি লক্ষ্য ৰাখি কমেও পাঁচজন ন্যায়াধীশৰে গঠিত বৃহত্ বিচাৰপীঠে এই গোচৰ সমূহৰ শুনানি আৰু সিদ্ধান্ত ল'ব লাগিব।

৮) আৱেদনকাৰী সকলৰ হৈ বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী গোপাল সুব্ৰমনিয়াম আৰু শ্ৰী শ্যাম দিভানে এই পৰামৰ্শৰ তীব্ৰ বিৰোধিতা কৰিছিল যে, এই গোচৰ সমূহৰ শুনানি বৃহত্ বিচাৰপীঠে লব লাগিব। তেওঁলোকৰ মতে:

(i) আৰ. ৰাজাগোপাল বনাম তামিলনাডু ৰাজ্য আৰু পিপলছ ইউনিয়ন ফৰ চিভিল লিবাৰ্টিজ (পিইউচিএল) বনাম ভাৰত চৰকাৰ এই গোচৰ সমূহত এই ন্যায়ালয়ে দিয়া ৰায়সমূহ গ্ৰহণযোগ্য কাৰণ, কিয়নো, সংবিধানৰ

------------------------------

অনুচ্ছেদ ১৪৫.(৩)। এই সংবিধানৰ ব্যাখ্যা বা অনুচ্ছেদ 143–ৰ অধীনত যিকোনো প্ৰসংগ শুনানিৰ উদ্দেশ্যে আইনৰ এক গুৰুত্বপূৰ্ণ প্ৰশ্নজড়িত যিকোনো গোচৰৰ নিৰ্ণয় লোৱাৰ উদ্দেশ্যে বহিব লগা ন্যায়াধীশৰ নিম্নতম সংখ্যা হ'ব পাঁচজন:

যদিহে, ন্যায়ালয়ে অনুচ্ছেদ 132-ৰ বাহিৰে এই অধ্যায়ৰ যিকোনো বিধানৰ অধীনত আপীলৰ শুনানি গ্ৰহণ কৰে, পাঁচজনতকৈ কম ন্যায়াধীশ থাকিব আৰু আপীলৰ শুনানিৰ সময়ত ন্যায়ালয় সন্তুষ্ট হয় যে আপীলটোত এই সংবিধানৰ ব্যাখ্যাৰ বিষয়ে আইনৰ এক গুৰুত্বপূৰ্ণ প্ৰশ্ন অন্তৰ্ভুক্ত হয়, যাৰ নিৰ্ধাৰণ আপীলৰ নিষ্পত্তিৰ বাবে প্ৰয়োজনীয়, এনে ক্ষেত্ৰত  ন্যায়ালেয় এনে প্ৰশ্নৰ সৈতে জড়িত যিকোনো গোচৰৰ নিৰ্ণয় লোৱাৰ উদ্দেশ্যে এই ধাৰাৰ দ্বাৰা প্ৰয়োজন অনুসৰি গঠন কৰা আদালতলৈ মতামতৰ বাবে প্ৰশ্নটো প্ৰেৰণ কৰিব আৰু মতামত প্ৰাপ্ত কৰাৰ পিছত এনে মতামতৰ সৈতে সামঞ্জস্য ৰাখি আপীলটো নিষ্পত্তি কৰিব।

------------------

অধীনত গোপনীয়তাৰ কোনো অধিকাৰ নথকাৰ বিষয়ে এম.পি. শৰ্মা বনাম সতীশ চন্দ্ৰ গোচৰৰ সিদ্ধান্তবোৰে ভৱিষ্যতৰ গোচৰৰ বাবে বাধ্যতামূলক দৃষ্টান্ত সৃষ্টি নকৰে। সেয়েহে,  পৰৱৰ্তী সৰু পীঠ সমূহত প্ৰভাৱ নেপেলায় ।

(ii) খাৰক সিঙৰ বনাম উত্তৰ প্ৰদেশ ৰাজ্য আৰু অন্যান্য গোচৰৰ ক্ষেত্ৰত, সংখ্যাগৰিষ্ঠ সিদ্ধান্তই প্ৰতিষ্ঠা লাভ কৰিছিল যে এজন ব্যক্তিৰ ঘৰত চৰকাৰ আৰু ইয়াৰ বিষয়াসকলে ব্যাঘাত জন্মাব নালাগে, ইয়াক সংবিধানৰ অনুচ্ছেদ 21-ৰ দ্বাৰা সুৰক্ষিত এক মৌলিক অধিকাৰ বুলি গণ্য কৰা হয়, আৰু এই অধিকাৰ মূলতঃ গোপনীয়তাৰ অধিকাৰৰ এটা অংশ। সৰ্বশ্ৰেষ্ঠভাৱে সংখ্যাগৰিষ্ঠ ৰায়ৰ পেৰাগ্ৰাফ 20-ত সংখ্যাগৰিষ্ঠ ৰায়ৰ পৰ্যৱেক্ষণ কেৱল এইবুলি বাখ্যা কৰিব পাৰি যে গোপনীয়তাৰ কোনো মৌলিক অধিকাৰ নাই যি  চৰকাৰক এজন ব্যক্তিৰ কাৰ্যকলাপ নিৰীক্ষণ কৰাত বাধা দিব।  মানেকা গান্ধী বনাম ভাৰত যুক্তৰাজ্য  গোচৰত (1978) 1 SCC 248[3], এই ন্যায়ালয়ৰ সাত জনীয়া বিচাৰপীঠৰ সিদ্ধান্তৰ দ্বাৰা কৰা স্পষ্ট ঘোষণাৰ পৰিপ্ৰেক্ষিতত এনে সিদ্ধান্তক সঠিক আইন বুলি গণ্য কৰিব নোৱাৰি।

------------------

পেৰাগ্ৰাফ ৫ .. খাৰক সিঙৰ বনাম উত্তৰ প্ৰদেশ ৰাজ্য আৰু অন্যান্য গোচৰৰ ইউ.পি., এ.আই.আৰ. 1963 এছ. চি. 1295 ত 'ব্যক্তিগত স্বাধীনতা' অভিধাটোৰ সঠিক পৰিসৰ আৰু অৰ্থ সম্পৰ্কে এই আদালতৰ সন্মুখত প্ৰথমবাৰৰ বাবে বিবেচনাৰ বাবে আঙুলিয়াই দিছিল। গৰিষ্ঠ সংখ্যক ন্যায়াধীশৰ মতে, অনুচ্ছেদ 19(1)ৰ বিভিন্ন ব্যৱস্থাত অন্তৰ্ভুক্ত কৰা অধিকাৰবোৰৰ উপৰিও ব্যক্তি এজনৰ "ব্যক্তিগত স্বাধীনতা"ত অৰিহণা যোগোৱা সকলো ধৰণৰ অধিকাৰ অন্তৰ্ভুক্ত কৰিবলৈ প্ৰবন্ধটোত "ব্যক্তিগত স্বাধীনতা" অভিধাটো এক সংকলন শব্দ হিচাপে ব্যৱহাৰ কৰা হয়। আন কথাত কবলৈ গলে, সংবিধানৰ অনুচ্ছেদ 19(1)ত স্বাধীনতাৰ নিৰ্দিষ্ট দিশবোৰ ৰখা হৈছে, আনহাতে অনুচ্ছেদ 21-ৰ "ব্যক্তিগত স্বাধীনতা"ত স্বাধীনতাৰ বাকী থকা সকলো দিশ অন্তৰ্ভুক্ত আছে । সংখ্যালঘিষ্ঠ ন্যায়াধীশসকলে অৱশ্যে সংখ্যাগৰিষ্ঠ ন্যায়াধীশৰ এই দৃষ্টিভংগীৰ সৈতে অসন্মত হৈছিল আৰু নিম্নলিখিত ধৰণে তেওঁলোকৰ স্থিতি ব্যাখ্যা কৰিছিল:

> নিঃসন্দেহে, "ব্যক্তিগত স্বাধীনতা" অভিধাটোৱে বিভিন্ন ধৰণৰ অধিকাৰ অন্তৰ্ভুক্ত কৰে, আৰু মুক্তভাৱে চলাচল কৰাৰ অধিকাৰ ইয়াৰ এটা বৈশিষ্ট্য। কোৱা হয় যে মুক্তভাৱে চলাচল কৰাৰ স্বাধীনতা ব্যক্তিগত স্বাধীনতাৰ পৰাই খোদিত কৰা হৈছে আৰু সেয়েহে ২১ নং অনুচ্ছেদত 'ব্যক্তিগত স্বাধীনতা' অভিব্যক্তিটোৱে সেই বৈশিষ্ট্যটো বাদ দিছে। আমাৰ দৃষ্টিত, এইটো সঠিক পদ্ধতি নহয়। দুয়োটা স্বতন্ত্ৰ মৌলিক অধিকাৰ, যদিও কোনো কোনো ক্ষেত্ৰত উমৈহতীয়া । এটাক আন এটাৰ পৰা পৃথক কৰাৰ প্ৰশ্নই উত্থাপন নহয়। জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ মৌলিক অধিকাৰৰ বহুতো বৈশিষ্ট্য আছে আৰু ইয়াৰে কিছুমান ১৯ নং অনুচ্ছেদত পোৱা যায়। যদি অনুচ্ছেদ 21-ৰ অধীনত এজন ব্যক্তিৰ মৌলিক অধিকাৰ উলংঘন কৰা হয়, ৰাজ্যখনে কাৰ্যটো বজাই ৰাখিবলৈ এখন আইনৰ ওপৰত নিৰ্ভৰ কৰিব পাৰে, কিন্তু অনুচ্ছেদ 19(1)ৰ দ্বাৰা আৱৰা গুণাগুণবোৰৰ বিষয়ে উক্ত আইনে অনুচ্ছেদ 19(2)ত নিৰ্ধাৰিত পৰীক্ষাটো সন্তুষ্ট নকৰালৈকে সেয়া সম্পূৰ্ণ উত্তৰ হ'ব নোৱাৰে।" যদি ২১ নং অনুচ্ছেদৰ অধীন ব্যক্তিৰ মৌলিক অধিকাৰ উলংঘন কৰা হয়, তেন্তে ব্যৱস্থাটো বাহাল ৰাখিবলৈ ৰাজ্যই কোনো আইনৰ ওপৰত নিৰ্ভৰ কৰিব পাৰে, কিন্তু ১৯(১) অনুচ্ছেদত সামৰি লোৱা বৈশিষ্ট্যসমূহৰ ক্ষেত্ৰত উক্ত আইনখনে ১৯(২) অনুচ্ছেদত উল্লেখ কৰা পৰীক্ষাটো সন্তুষ্ট নকৰালৈকে সেয়া সম্পূৰ্ণ

উত্তৰ হ'ব নোৱাৰে"।

এইটো সন্দেহাতীত যে আৰ চি কুপাৰ বনাম ভাৰত যুক্তৰাজ্য গোচৰত (1970) 2 এছচিচি 298, এই আদালতে সংখ্যালঘিষ্ঠ মতামতক শুদ্ধ বুলি আৰু সংখ্যাগৰিষ্ঠ দৃষ্টিভংগী বাতিল কৰা হৈছে বুলি গণ্য কৰিব লাগিব

(iii) তেওঁলোকে আৰু যুক্তি দিছিল যে এম.পি. শৰ্মা বনাম সতীশ চন্দ্ৰ আৰু খাৰক সিং বনাম উত্তৰ প্ৰদেশ গোচৰৰ ৰায়দান এ.কে. গোপালন বনাম মাদ্ৰাজ ৰাজ্য গোচৰত বৰ্ণনা কৰা সংবিধানৰ এক ব্যাখ্যাৰ ওপৰত আধাৰিত আছিল। ৰুস্তম কাভাসজী কুপাৰ বনাম ভাৰতযুক্তৰাজ্য, (1970) 1 এছ.চি.চি 248 গোচৰত এই আদালতৰ এক বৃহত্তৰ বিচাৰপীঠে এ.কে. গোপালনৰ দ্বাৰা প্ৰস্তাৱিত নীতিসমূহ ভুল বুলি প্ৰদৰ্শন কৰিছিল । সেয়েহে, তাৎক্ষণিক গোচৰ সমূহত, বৃহত বিচাৰপীঠে শুনানি ৰখাৰ কোনো প্ৰয়োজন নাই।

9) এইটো সত্য যে ভাৰতৰ সংবিধানৰ তৃতীয় খণ্ডৰ অধীনত সুনিশ্চিত কৰা কোনো মৌলিক অধিকাৰৰ পৰা গোপনীয়তাৰ অধিকাৰ প্ৰবাহিত হৈছে বুলি গোবিন্দ বনাম মধ্য প্ৰদেশ ৰাজ্য গোচৰত স্পষ্ট ভাৱে ঘোষণা কৰা নাছিল, কিন্তু লক্ষ্য কৰিছিল যে:-"সেয়েহে, ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ, ভাৰতৰ ভূখণ্ডৰ মাজেৰে মুক্ত চলাচলৰ অধিকাৰ, বাক স্বাধীনতাৰ অধিকাৰৰ ফলত গোপনীয়তাৰ স্বতন্ত্ৰ অধিকাৰৰ সৃষ্টি হ'লেও মৌলিক অধিকাৰ হিচাপে চিহ্নিত কৰিব পৰাকৈ এই অধিকাৰ নিৰপেক্ষ বুলি আমি নাভাবো"। এই ন্যায়ালয়ে এনেধাৰণাৰ ভিত্তিত গোচৰটোৰ সিদ্ধান্ত ল'বলৈ আগবাঢ়িল।

10) অৱশ্যে, আৰ. ৰাজাগোপাল বনাম তামিলনাডু ৰাজ্য আৰু পিপলছ ইউনিয়ন ফৰ চিভিল লিবাৰ্টিজ (পি.ইউ.চি.এল) বনাম

ভাৰত চৰকাৰ এই গোচৰ সমূহৰ পৰৱৰ্তী ৰায়দান সমূহত বিচাৰপীঠ সমূহ "গোপনীয়তাৰ অধিকাৰ"ৰ অস্তিত্বৰ ক্ষেত্ৰত অধিক স্পষ্ট আছিল।

আৰ ৰাজাগোপাল বনাম তামিলনাডু ৰাজ্যত মতপোষণ কৰা হৈছে যে "গোপনীয়তাৰ অধিকাৰ" সংবিধানৰ ২১ নং অনুচ্ছেদৰ অধীনত অন্তৰ্নিহিত, আনহাতে, পিপলছ ইউনিয়ন ফৰ চিভিল লিবাৰ্টিজ (পিইউচিএল) গোচৰত মতপোষণ কৰা হৈছে যে "গোপনীয়তাৰ অধিকাৰ" যিমানদূৰলৈকে কথাবাৰ্তাৰ সৈতে জড়িত, সংবিধানৰ ১৯(১)(ক) আৰু ২১ অনুচ্ছেদৰ অধীনৰ মৌলিক অধিকাৰৰ অংশ।

-------------------------

পেৰাগ্ৰাফ ৯."গোপনীয়তাৰ অধিকাৰক আমাৰ সংবিধানত মৌলিক অধিকাৰ হিচাপে তালিকাভুক্ত কৰা হোৱা নাই কিন্তু ২১ নং অনুচ্ছেদত অনুমান কৰা হৈছে।"

------------------------

11) বাৰত আৱেদনকাৰীসকলৰ বিজ্ঞ অধিবক্তা সকলে এংলো-চেক্সন ন্যায়শাস্ত্ৰ অনুসৰণ কৰা সকলো দেশেতে 'গোপনীয়তা'ক মানুহৰ স্বাধীনতাৰ এক গুৰুত্বপূৰ্ণ দিশ হিচাপে স্বীকৃতি দিয়া হয় বুলি বিস্তাৰিত ভাৱে মত প্ৰদৰ্শন কৰে। ইয়াৰ উপৰিও মত প্ৰদৰ্শন কৰে যে ভাৰতীয় সংবিধানে ভাৰতীয় সংবিধানৰ ২১ নং অনুচ্ছেদৰ অধীনত গোপনীয়তাক স্বাধীনতাৰ এটা দিশ হিচাপে স্বীকৃতি নিদিয়ে বুলি যুক্তি দিবলৈ ভাৰত চৰকাৰে আজি বহু পলম কৰিলে। অন্ততঃ এজন ব্যক্তি নিজৰ ঘৰত সুৰক্ষিত হৈ থকা আৰু ৰাজ্য বা ইয়াৰ বিষয়াসকলৰ দ্বাৰা অকাৰণত বিচলিত নোহোৱাৰ অধিকাৰ খৰক সিঙ বনাম উত্তৰ প্ৰদেশ ৰাজ্য গোচৰৰ ক্ষেত্ৰত স্পষ্টভাৱে স্বীকৃত আৰু সুৰক্ষিত কৰা হৈছে যদিও

সংখ্যাগৰিষ্ঠ সকলে স্বাধীনতাৰ সেই দিশটোক গোপনীয়তাৰ অধিকাৰ হিচাপে বৰ্ণনা কৰা নাছিল, ই গোপনীয়তাৰ অধিকাৰৰ বাহিৰে আন একো নহয়।

-------------------------------------

পেৰাগ্ৰাফ ১৮.“গোপনীয়তাৰ অধিকাৰ — নিজাকৈ — সংবিধানৰ অধীনত চিনাক্ত কৰা হোৱা নাই। এক ধাৰণা হিচাপে ইয়াক ন্যায়িকভাৱে সংজ্ঞায়িত কৰিবলৈ অতি বহল আৰু নীতিসৰ্বস্ব হ’ব পাৰে। কোনো এটা গোচৰত গোপনীয়তাৰ অধিকাৰ দাবী কৰিব পাৰি নে উলংঘা কৰা হৈছে সেয়া উক্ত গোচৰৰ তথ্যৰ ওপৰত নিৰ্ভৰ কৰিব। কিন্তু নিজৰ ঘৰ বা কাৰ্যালয়ৰ গোপনীয়তাত হস্তক্ষেপ নকৰাকৈ টেলিফোনিক কথা–বতৰা পতাৰ অধিকাৰক নিশ্চিতভাৱে “গোপনীয়তাৰ অধিকাৰ” বুলি দাবী কৰিব পাৰি। টেলিফোনত হোৱা কথা–বতৰাবোৰ প্ৰায়ে অন্তৰংগ আৰু গোপনীয় হয়। টেলিফোনিক কথা–বতৰা আধুনিক মানুহৰ জীৱনৰ এক অংশ ।ই ইমানেই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে যে অধিক সংখ্যক লোকে পকেটত মোবাইল ফোনৰ কঢ়িয়াই লৈ ফুৰে । টেলিফোনিক কথা–বতৰা এজন মানুহৰ ব্যক্তিগত জীৱনৰ এটা গুৰুত্বপূৰ্ণ অংশ। গোপনীয়তাৰ অধিকাৰৰ ভিতৰত নিশ্চিতভাৱে নিজৰ ঘৰ বা কাৰ্যালয়ৰ আবুৰতাত পতা টেলিফোনিক কথা–বতৰাও অন্তৰ্ভুক্ত হ’ব। এইদৰে টেলিফোন টেপিঙে ভাৰতৰ সংবিধানৰ ২১ নং অনুচ্ছেদ উলংঘা কৰিব যদিহে আইনে স্থাপন কৰা পদ্ধতিৰ অধীনত ইয়াৰ অনুমতি দিয়া নহয়। টেলিফোন টেপিঙে এনেদৰে সংবিধানৰ ১৯(১)(ক) অনুচ্ছেদ উলংঘা কৰিব যদিহে ই ১৯(২) অনুচ্ছেদৰ অধীনত আইনী নিষেধাজ্ঞাৰ আওতাত নপৰে)।

-----------------------------------

১২) আমি এই বুলি মতপোষণ কৰো যে, উপৰুক্ত গোচৰসমূহে সংবিধানৰ ব্যাখ্যাৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ আৰ্ৰু সুদূৰপ্ৰসাৰী প্ৰশ্ন উত্থাপন কৰে। ২১ নং অনুচ্ছেদৰ সেই বহুমূলীয়া আৰু অবিচ্ছেদ্য অধিকাৰকে ধৰি মৌলিক অধিকাৰৰ বিস্তৃতিয়েহে সমস্যাৰ সৃষ্টি কৰিছে । এম.পি. শৰ্মা বনাম সতীশ চন্দ্ৰ আৰু খাৰক সিং বনাম উত্তৰ প্ৰদেশ গোচৰ আক্ষৰিক অৰ্থত পঢ়ি এই দেশৰ আইন হিচাপে গ্ৰহণ কৰিলে ভাৰতৰ সংবিধানে সুনিশ্চিত কৰা মৌলিক অধিকাৰ আৰু বিশেষভাৱে ২১ নং অনুচ্ছেদৰ অধীন স্বাধীনতাৰ অধিকাৰৰ শক্তি আৰু তাৎপৰ্য দুৰ্বল হ’ব। একে সময়তে আমি মতপোষণ কৰো যে, প্ৰতিষ্ঠানিক অখণ্ডতা আৰু ন্যায়িক অনুশাসনৰ

বাবে এই আদালতৰ বৃহৎ বিচাৰপীঠে কৰা ঘোষণাক সৰু বিচাৰপীঠে ঘোষণাসমূহ মানি নচলাৰ  কাৰণসমূহ উপযুক্তভাৱে ব্যাখ্যা নকৰাকৈ আওকাণ কৰিব নোৱাৰে। যি সকল বিজ্ঞ ন্যায়াধীশে পৰৱৰ্তী ৰায়দান সমূহ প্ৰদান কৰিছিল, য'ত গোপনীয়তাৰ অধিকাৰৰ কথা কোৱা হয় বা প্ৰসংগ উত্থাপন কৰা হয়, সেই সকল বিজ্ঞ ন্যায়াধীশৰ প্ৰতি যথাযথ সন্মান জনাই আমি বিনম্ৰতাৰে মতপোষণ কৰো যে, এই আদালতে ঘোষণা কৰা বিধিখনৰ কিছু স্পষ্ট অমীমাংসিত বৈপৰীত্য থকা যেন লাগে।

১৩) সেয়েহে আমি মতপোষণ কৰো যে, এই গোচৰ সমূহত উত্থাপিত ধৰণৰ বিতৰ্ক সমূহৰ ক্ষেত্ৰত এটা চূড়ান্ত সিদ্ধান্ত দিবলৈ হ'লে এম.পি. শৰ্মা বনাম সতীশ চন্দ্ৰ আৰু খাৰক সিং বনাম উত্তৰ প্ৰদেশ গোচৰ দুটাৰ ৰায়দানৰ অংশ পৰীক্ষা কৰা হওক আৰু এই ন্যায়ালয়ৰ পৰৱৰ্তী ৰায়দানসমূহ, য'ত গোপনীয়তাৰ অধিকাৰৰ কথা কোৱা হয় বা প্ৰসংগ উথ্থাপন কৰা হয়, সেইসমূহ ৰায়দানৰ ন্যায়িক শুদ্ধতা পৰীক্ষা কৰা হয় আৰু উপযুক্ত সংখ্যক ন্যায়াধীশেৰে গঠিত বিচাৰপীঠে কৰ্তৃত্বশীলভাৱে সিদ্ধান্ত প্ৰদান কৰে।

১৪) সেয়েহে আমি এই বিষয়সমূহ ভাৰতৰ মাননীয় মুখ্য ন্যায়াধীশৰ সন্মুখত উপযুক্ত আদেশৰ বাবে দাখিল কৰিবলৈ পঞ্জীয়ন বিভাগক নিৰ্দেশ দিওঁ।

.................ন্যায়াধীশ

(জে. চেলামেশ্বৰ)

.................ন্যায়াধীশ

(এছ.এ.

ববডে)

................ন্যায়াধীশ

(চি.নাগাপ্পান)

নতুন দিল্লী ১১ আগষ্ট,২০১৫

<u>ভাৰতৰ উচ্চতম ন্যায়ালয়ত প্ৰতিবেদনযোগ্য</u>

দেৱানী মূল ক্ষেত্ৰাধিকাৰ

লেখ আবেদন (দেৱানী ) নং ৪৯৪, ২০১২

ন্যায়াধীশ কে.এছ. পুট্টাস্বামী (অৱসৰপ্ৰাপ্ত)আৰু আন এজন ... আৱেদনকাৰী

বনাম

ভাৰত চৰকাৰ আৰু অন্যান্য ......................... প্ৰতিপক্ষ

লগতে

২০১৩ চনৰ স্থানান্তৰিত গোচৰ (দেৱানী) নং ১৫১

২০১৩ চনৰ স্থানান্তৰিত গোচৰ (দেৱানী) নং ১৫২

২০১৩ চনৰ লেখ আবেদন (দেৱানী) নং ৮২৯

২০১৩ চনৰ লেখ আবেদন (দেৱানী) নং ৮৩৩

২০১৩ চনৰ লেখ আবেদন (দেৱানী) নং ৯৩২

২০১৪ চনৰ স্থানান্তৰিত আবেদন (দেৱানী) নং ৩১২

২০১৪ চনৰ স্থানান্তিতৰ আবেদন (দেৱানী) নং ৩১৩

২০১৫ চনৰ লেখ আবেদন (দেৱানী) নং ৩৭

২০১৫ চনৰ লেখ আবেদন (দেৱানী) নং ২২০

২০১৫ চনৰ স্থানান্তৰ আবেদন (দেৱানী) নং ৯২১

ডব্লিউ পি (চি) ৪৯৪/২০১২ত ২০১৪ চনৰ আদালত অৱমাননা আবেদন (দেৱানী) নং ১৪৪

ডব্লিউ পি (চি) ৪৯৪/২০১২ত ২০১৫ চনৰ আদালত অৱমাননা আবেদন (দেৱানী) নং ৪৭০

# <u>আদেশ</u>

গোচৰৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি অতি সোনকালে শুনানি গ্ৰহণ কৰাটো বাঞ্ছনীয়।

.................ন্যায়াধীশ

(জে চেলামেশ্বৰ)

.................ন্যায়াধীশ

(এছ.এ.

ববডে)

................ন্যায়াধীশ

(চি.নাগাপ্পান)

নতুন দিল্লী ১১ আগষ্ট,২০১৫

ভাৰতৰ উচ্চতম ন্যায়ালয়ত প্ৰতিবেদনযোগ্য

দেৱানী মূল ক্ষেত্ৰাধিকাৰ

লেখ আবেদন (দেৱানী ) নং ৪৯৪, ২০১২

ন্যায়াধীশ কে.এছ. পুট্টাস্বামী (অৱসৰপ্ৰাপ্ত)আৰু আন এজন ... আৱেদনকাৰী

বনাম

ভাৰত চৰকাৰ আৰু অন্যান্য ......................... প্ৰতিপক্ষ

লগতে

২০১৩ চনৰ স্থানান্তৰিত গোচৰ (দেৱানী) নং ১৫১

২০১৩ চনৰ স্থানান্তৰিত গোচৰ (দেৱানী) নং ১৫২

২০১৩ চনৰ লেখ আবেদন (দেৱানী) নং ৮২৯

২০১৩ চনৰ লেখ আবেদন (দেৱানী) নং ৮৩৩

২০১৩ চনৰ লেখ আবেদন (দেৱানী) নং ৯৩২

২০১৪ চনৰ স্থানান্তৰিত আবেদন (দেৱানী) নং ৩১২

২০১৪ চনৰ স্থানান্তিতৰ আবেদন (দেৱানী) নং ৩১৩

২০১৫ চনৰ লেখ আবেদন (দেৱানী) নং ৩৭

২০১৫ চনৰ লেখ আবেদন (দেৱানী) নং ২২০

২০১৫ চনৰ স্থানান্তৰ আবেদন (দেৱানী) নং ৯২১

ডব্লিউ পি (চি) ৪৯৪/২০১২ত ২০১৪ চনৰ আদালত অৱমাননা আবেদন (দেৱানী) নং ১৪৪

ডব্লিউ পি (চি) ৪৯৪/২০১২ত ২০১৫ চনৰ আদালত অৱমাননা আবেদন (দেৱানী) নং ৪৭০

## অন্তৱৰ্তীকালীন আদেশ

গোচৰটো বৃহত বিচাৰপীঠলৈ সিদ্ধান্তৰ বাবে প্ৰেৰণ কৰাৰ পিছত আবেদনকাৰীসকলৰ বিদ্বান অধিবক্তাই অতিৰিক্ত অন্তৰৰ্তীকালীন আদেশৰ বাবে প্ৰাৰ্থনা কৰে। ইতিমধ্যে বলবৎ হোৱা অন্তৱৰ্তীকালীন আদেশটো হৈছে এই আদালতৰ ২৩.৯.২০১৩ তাৰিখৰ আদেশ যিটো তলত দিয়া ধৰণে লিখা আছে:-

"....

সকলো গোচৰৰ চূড়ান্ত শুনানি হোৱাটো প্ৰয়োজনীয়।

সংবিধান বিচাৰপীঠৰ শেষত চূড়ান্ত শুনানিৰ বাবে সকলো গোচৰ তালিকাভুক্ত কৰক। আধাৰ কাৰ্ড লাভ নকৰাৰ বাবে কোনো ব্যক্তিয়েই ক্ষতিগ্ৰস্ত হ'ব নালাগে, ততস্বতেও যে, পূৰ্বতে কোনো কোনো কৰ্তৃপক্ষই আধাৰ কাৰ্ড খন বাধ্যতামূলক বুলি বিজ্ঞপ্তি জাৰি কৰিছিল । যেতিয়া কোনো ব্যক্তিয়ে স্বেচ্ছাই আধাৰ কাৰ্ড লাভৰ বাবে আবেদন কৰে তেতিয়া সেই ব্যক্তিজন অধিকাৰপ্ৰাপ্ত হয় নে নহয় আইনৰ অধীনত পৰীক্ষা কৰা উচিত আৰু লগতে ইয়াক কোনো অবৈধ অনুপ্ৰৱেশকাৰীক দিয়া উচিত নহয়।"

আবেদনকাৰীসকলৰ বিজ্ঞ অধিবক্তা শ্ৰী শ্যাম দিভানে যুক্তি প্ৰদৰ্শন কৰিছিল যে যিহেতু আবেদনকাৰীসকলে গোপনীয়তাৰ গুৰুতৰ উলংঘনৰ কথা উপস্থাপন কৰিছে, গতিকে এই আদালতে আধাৰ কাৰ্ডৰ বাবে বায়'মেট্ৰিক্স আৰু অন্যান্য তথ্য সংগ্ৰহ কৰাত কৰ্তৃপক্ষক আৰু আগবাঢ়ি যোৱাত নিষেধাজ্ঞা প্ৰদান কৰিব লাগে।" শ্ৰী শ্যাম দিভানে যুক্তি প্ৰদৰ্শন কৰিছিল যে এজন ব্যক্তিৰ বায়'মেট্ৰিক তথ্য অন্য কৰ্তৃপক্ষ বা কৰ্পৰেট সংস্থালৈ প্ৰেৰণ কৰিব পাৰি যিবোৰ তেওঁলোকে পাছলৈ বাণিজ্যিক শোষণৰ বাবে ব্যৱহাৰ কৰিব পাৰে আৰু সেয়েহে ইয়াক বন্ধ কৰিব লাগিব।

আনহাতে, বিজ্ঞ এটৰ্নী জেনেৰেলে আঙুলিয়াই দিলে যে এই আদালতে কোনো সময়তে, আনকি ২৩.৯.২০১৩ তাৰিখৰ অন্তৰৰ্তীকালীন আদেশ দিওঁতেও, ভাৰতৰ একক চিনাক্তকৰণ কৰ্তৃপক্ষক (Unique Identification Authority of India) "আধাৰ কাৰ্ড" নামেৰে অধিক পৰিচিত একক পৰিচয় নম্বৰৰ (Unique Identification Number) উদ্দেশ্যে এজন নাগৰিকৰ পৰা বায়'মেট্ৰিক বা অন্যান্য তথ্য সংগ্ৰহ কৰাত বাধা দিয়া বা নিষেধাজ্ঞা প্ৰদান কৰা নাই । ইয়াৰ উপৰিও যুক্তি প্ৰদৰ্শন কৰিছিল কৰা হয় যে প্ৰকল্পটোৰ সৈতে প্ৰতিপক্ষ আগবাঢ়ি গৈছে আৰু প্ৰায় ৯০% জনসাধাৰণক আধাৰ কাৰ্ড প্ৰদান কৰিছে। লগতে আধাৰ কাৰ্ড প্ৰদানৰ বাবে এই প্ৰকল্পত কেন্দ্ৰীয় চৰকাৰে বৃহৎ পৰিমাণৰ ধন ব্যয় কৰিছে আৰু এনে ক্ষেত্ৰত নিষেধাজ্ঞা প্ৰদানৰ কোনো এটা সুপৰিচিত কাৰক আবেদনকাৰীৰ পক্ষত নাই।

বিজ্ঞ এটৰ্নী জেনেৰেলে কয় যে প্ৰতিপক্ষই আধাৰ কাৰ্ডধাৰীৰ বায়'মেট্ৰিক্সৰ জৰিয়তে বা অন্য কোনো উপায়েৰে লাভ কৰা কোনো ব্যক্তিগত তথ্য আন কোনো ব্যক্তি বা কৰ্তৃপক্ষৰ সৈতে ভাগ-বতৰা নকৰে।

এই বিৱৰণটোৱে বৰ্তমানৰ বাবে এই আশংকা দূৰ কৰে যে যিসকল লোকক আধাৰ কাৰ্ড প্ৰদান কৰা হৈছে তেওঁলোকৰ গোপনীয়তাৰ ব্যাপক উলংঘন হৈছে। আবেদনকাৰীসকলৰ হৈ আৰু দাবী কৰা হৈছিল যে এতিয়াও গোপনীয়তা ভংগ হৈছে। এইটো এটা বিষয় যিটো এই পৰ্যায়ত আৰু অধিক কোৱাৰ প্ৰয়োজন নাই।  বিজ্ঞ এটৰ্ণী জেনেৰেলে যুক্তি প্ৰদৰ্শন কৰে যে আধাৰ কাৰ্ডখন যথেষ্ট লাভজনক, কিয়নো, এমজিএনৰেগা, পিডিএছ (PDS) ব্যৱস্থাৰ জৰিয়তে খাদ্য, ৰেচন আৰু কেৰাচিন বিতৰণ আৰু এলপিজি বিতৰণত ৰাজসাহায্য প্ৰদান কৰা দৰে চৰকাৰৰ কেইবাখনো সামাজিক সুবিধাৰ আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণত ই যথেষ্ট সহায় কৰিছে। সেয়েহে যুক্তি প্ৰদৰ্শন কৰা হৈছিল যে প্ৰতিপক্ষক অধিক আধাৰ কাৰ্ড প্ৰদান কৰাত বাধা দিয়া বা চৰকাৰৰ সামাজিক আঁচনিৰ বাবে বৰ্তমানৰ আধাৰ কাৰ্ড সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰাৰ অনুমতি দিয়া উচিত।

বিজ্ঞ এটৰ্ণী জেনেৰেলে আৰু কয় যে প্ৰতিবাদী ভাৰত যুক্তৰাজ্যই এই সত্যৰ বিষয়ে সাধাৰণ জনতাক অৱগত কৰাৰ পিছত সন্মতিৰ ভিত্তিতহে আধাৰ কাৰ্ড প্ৰদান কৰাটো নিশ্চিত কৰিব যে আধাৰ কাৰ্ড প্ৰস্তুত কৰোত ব্যৱহাৰ হোৱা ব্যক্তিজনৰ বায়'মেট্ৰিক তথ্য সামাজিক সুবিধা আঁচনিৰ বাহিৰে আন কোনো উদ্দেশ্যত ব্যৱহাৰ কৰা নহ'ব।

গোচৰটো বিবেচনা কৰাৰ পিছত, আমি মতপোষণ কৰো যে যদি ভাৰত যুক্তৰাজ্যই বা ইউআইডিএ (UIDA) নিম্নলিখিত ধৰণে আগবাঢ়ে, গোচৰটো বৃহত বিচাৰপীঠৰ দ্বাৰা নিৰ্ণয় নোহোৱালৈকে ন্যায্য সমাধান লাভ কৰা হ'ব।

১) ভাৰত চৰকাৰে ৰেডিঅ’ আৰু দূৰদৰ্শনকে ধৰি সকলো ইলেক্ট্ৰনিক আৰু ছপা মাধ্যমত ব্যাপক প্ৰচাৰ কৰিব যে এজন নাগৰিকে আধাৰ কাৰ্ড লাভ কৰাটো বাধ্যতামূলক নহয়;

২) এজন নাগৰিকৰ বাবে আধাৰ কাৰ্ড খন অন্য প্ৰকাৰে পাবলগীয়া কোনো সুবিধা লাভৰ চৰ্ত নহ’ব;

৩) ইউনিক আইডেন্টিফিকেশন নম্বৰ (Unique Identification Number) বা আধাৰ কাৰ্ডখন প্ৰতিবাদী পক্ষই পিডিএছ (PDS) আঁচনি আৰু খাদ্যশস্য বিতৰণ আৰু ৰন্ধা–বঢ়াৰ ইন্ধন, যেনে কেৰাচিন বিতৰণৰ বাহিৰে আন কোনো উদ্দেশ্যত ব্যৱহাৰ কৰিব নোৱাৰিব।আধাৰকাৰ্ড এল পি জি বিতৰণ আঁচনিৰ উদ্দেশ্যেও ব্যৱহাৰ কৰিব পাৰি;

৪) আধাৰ কাৰ্ড প্ৰদান কৰাৰ সময়ত ভাৰতৰ একক পৰিচয় প্ৰাধিকৰণে (Unique Identification Authority of India) ই লাভ কৰা কোনো ব্যক্তিৰ বিষয়ে তথ্য, অপৰাধমূলক তদন্তৰ উদ্দেশ্যে আদালতে নিৰ্দেশ দিয়াৰ বাহিৰে, ওপৰত উল্লেখ কৰা কথাখিনিৰ বাহিৰে আন কোনো উদ্দেশ্যত ব্যৱহাৰ কৰা নহ’ব।

সেই অনুসৰি আদেশ দিয়া হ’ল।

. . . . . . . . . . . . . . . . .ন্যায়াধীশ

(জে. চেলামেশ্বৰ)

. . . . . . . . . . . . . . . . .ন্যায়াধীশ

(এছ.এ.

ববডে)

................ন্যায়াধীশ

(চি. নাগাপ্পান)

নতুন দিল্লী ১১ আগষ্ট, ২০১৫

অনুবাদ-কংকনা বৰা